# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-08 -2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***

**--------------------**

ৰাজ্যত শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত একাংশ প্ৰাৰ্থীয়ে ভুৱা প্ৰমাণ পত্ৰ দাখিল কৰি চাকৰি লাভ কৰাৰ চেষ্টা চলোৱাৰ অভিযোগ সন্দৰ্ভত আজি অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ এটা দলে নগাঁৱত তদন্ত কৰে। নগাওঁ সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ত উপস্থিত হৈ তদন্তকাৰী দলটোৱে স্নাতক আৰু স্নাতকোত্তৰ শিক্ষকৰ পদৰ বাবে আবেদন কৰা একাংশ প্ৰাৰ্থীয়ে জমা দিয়া নথি পত্ৰ পৰীক্ষা কৰে। উল্লেখযোগ্য যে একাংশ প্ৰাৰ্থীয়ে মধ্য প্ৰদেশৰ এখন বিশ্ববিদ্যালয়ৰ পৰা ভুৱা প্ৰমাণপত্ৰ দাখিল কৰাৰ অভিযোগ উঠিছিল। অসমৰ ৫ খন জিলাৰ ৩১ গৰাকী প্ৰাৰ্থীৰ বিৰুদ্ধে এই অভিযোগ উত্থাপিত হোৱাৰ পিছত ৰাজ্য চৰকাৰে অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাক ইয়াৰ তদন্তৰ দায়িত্ব অৰ্পন কৰিছিল। তদন্তকাৰী দলটোৱে নগাওঁৰ উপৰি শোণিতপুৰ, হোজাই আৰু বিশ্বনাথ জিলাত এনে ধৰণৰ অনিয়ম সংঘটিত হোৱা বুলি সন্দেহ কৰিছে।

০০০০

স্বাধীনতা সংগ্ৰামৰ উত্তৰ-পূৰ্বাঞ্চলৰ সংগ্ৰামীসকলৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য জনোৱাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰীমাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত পৰাক্ৰমী পূৰ্বোত্তৰ নাট মেলাত  আজি **জ্যোতিপ্ৰসাদ-সংগ্ৰামী জ্যোতিশিখা** শীৰ্ষক নাটখন মঞ্চস্থ কৰা হ'ব। লখিমপুৰৰ ৰংগভূমি নাট্য গোষ্ঠীয়ে পৰিৱেশন কৰিবলগীয়া এই নাটখনৰ নাট্যকাৰ প্ৰশান্ত কটকী। কৃষ্ণ ভূঞাই পৰিচালনা কৰিবলগীয়া নাটখনৰ সন্ধিয়া ৫ বজা আৰু চাৰে ৭ বজাত দুটা দৰ্শনী মঞ্চস্থ হ'ব।

কালি এই নাট মেলাত **ব্ৰজনাথ-বিপ্লৱী অগ্নিবীৰ** শীৰ্ষক নাটখন মঞ্চস্থ কৰা হয়। ছিপাঝাৰৰ চৰ্চা নাট্য গোষ্ঠীয়ে এই  পৰিৱেশন কৰা নাটখনৰ নাট্যকাৰ আছিল উৎপল দত্ত। উল্লেখযোগ্য যে যোৱা ১৫ আগষ্টৰ পৰা অনুষ্ঠিত এই নাটমেলা অহা ২১ আগষ্টত সামৰণি পৰিব।

০০০০

আকাশবাণী গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত বাতৰি সঞ্চালক বিৰাজ দাসে আজি ৮৯ বছৰ সম্পূৰ্ণ কৰিছে। অনাতাঁৰ বাতৰিক অতি উচ্চ মানলৈ নিবলৈ সমৰ্থ হোৱা এইগৰাকী ব্যক্তিয়ে অৱসৰৰ পাছতো আকাশবাণী গুৱাহাটী আৰু গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ বাতৰি বিভাগত দীৰ্ঘদিন ধৰি সেৱা আগবঢ়াইছিল আৰু এতিয়াৰ প্ৰজন্মই বাতৰি সম্পাদক আৰু বাতৰি পঢ়োঁতাসকলে বিৰাজ দাসৰ পৰা সাংবাদিকতাৰ বহু খুটি-নাটি আহৰণ কৰিবলৈ সমৰ্থ হৈছিল। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ নেতৃত্বত বিভাগৰ এটা প্ৰতিনিধি দলে আজি বিৰাজ দাসৰ ঘৰলৈ গৈ তেওঁক জন্মদিনৰ শুভেচ্ছা জনায়। বৰ্ষীয়ান সাংবাদিকগৰাকীয়ে আজি জন্মদিনৰ কেক কাটি অভ্যাগতসকলৰ সৈতে শুভেচ্ছা বিনিময় কৰে। বাতৰি বিভাগৰ দলটোত আছিল বাতৰি পৰিবেশক অৰূপ কুমাৰ শৰ্মা, অৰুণিমা গোস্বামী, উৎপল কুমাৰ দাস, নিৰূপমা বৰঠাকুৰ, পুলক গগৈ আৰু জিণ্টিৰাণী ডেকা। আকাশবাণীৰ প্ৰাক্তন বাতৰি পৰিবেশিকা তথা বৰ্তমান মৰিগাওঁ জিলাৰ জনসংযোগ বিষয়া পম্পী দেৱীয়েও আজি বিৰাজ দাসক জন্মদিনৰ শুভেচ্ছা জনায়।

০০০০

তিনিচুকীয়া গুইজান নিবাসী সাংবাদিক উত্তম দেৱৰ আজি মৃত্যু হয়। কেইবাটাও ব্যক্তিগত সংবাদ প্ৰতিষ্ঠানত স্থানীয় সংবাদদাতা হিচাপে কৰ্মৰত প্ৰয়াত দেৱ যোৱা ফেব্ৰুৱাৰীৰ মাহৰ পৰা কৰ্কট ৰোগত আক্ৰান্ত হৈ আছিল। অঞ্চলটোৰ একমাত্ৰ সাংবাদিক হোৱাৰ লগতে গুইজান সমবায় সমিতিৰ হিচাপ পৰীক্ষক হিচাপে কৰ্মৰত সৰবৰহী ব্যক্তিজনৰ মৃত্যুৰ সময়ত বয়স আছিল ৫৫বছৰ। তেওঁৰ মৃত্যুত চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱা, জাৰ্নেলিষ্ট ইউনিয়ন আছামৰ উপ-সভাপতি ৰূপম কাকতিকে ধৰি ভালে কেইজন বিশিষ্টকে শোক প্ৰকাশ কৰিছে।

০০০০

সেনাবাহিনীয়ে আয়োজন কৰা ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত আজি নৰ্থ ইষ্ট ইউনাইটেড এফ চি লাজং এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। শ্বিলঙৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত খেলখন অলপ পাছতে সন্ধিয়া ৭ বজাত অনুষ্ঠিত হ'ব। এছিয়াৰ আটাইতকৈ পুৰণি ফুটবল প্ৰতিযোগিতাখনত এয়া তৃতীয়বাৰৰ বাবে দুয়োটা দল মুখামুখি হ'ব। ইয়াৰ পূৰ্বে যোৱা বছৰৰ ছেমি ফাইনেলতো দুয়োটা দল পৰস্পৰৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছিল আৰু নৰ্থ ইষ্ট ইউনাইটেডে মেঘালয়ৰ দলটোক ৩-০ত পৰাস্ত কৰি খিতাপৰ যুঁজলৈ অগ্ৰসৰ হৈছিল।

০০০০

শিশু শিক্ষা সমিতি অসমৰ অন্তৰ্গত মাজুলীৰ সংকুলৰ এখন বিজ্ঞান মেলা আজি ফুলনিত অনুষ্ঠিত হয়। এই বিজ্ঞান মেলাত বিজ্ঞান আৰ্হি, বিজ্ঞান প্ৰশ্নবাচন আৰু বিজ্ঞান পত্ৰবাচন প্ৰতিযোগিতাৰ মাজুলী সংকুলৰ উচ্চ মাধ্যমিক পৰ্যায়ৰ ভালেকেইখন বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃ ঃঃ ঃঃ ঃঃ ঃঃ